# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-12-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

----------------------

ৰাজ্য চৰকাৰে ৰেস্তোৰাঁ, হোটেল আৰু অন্য ৰাজহুৱা অনুষ্ঠান নাইবা সামাজিক স্থানত গো-মাংসৰ ব্যৱহাৰ সম্পূৰ্ণ ৰূপে নিষিদ্ধ ঘোষণা কৰিছে। কালি দিছপুৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। এই অনুসৰি পূৰ্বতে বাধা থকা ধৰ্মীয় স্থানৰ পৰা ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ এলেকাৰ পৰিৱৰ্তে ৰাজহুৱা স্থানতো এই মাংসৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে।  তদুপৰি ৰাজ্যখনত সংস্কৃত শিক্ষাক পুনৰুজ্জীৱিতকৰণৰ বাবে ৰাজ্য চৰকাৰে ৯৭ খন সংস্কৃত টোল আৰু পালি টোলৰ জৰিয়তে ভাৰতীয় ইতিহাস, সংস্কৃতি আৰু সভ্যতাৰ সংৰক্ষণত নেতৃত্ব লোৱাৰ সিদ্ধান্ত মন্ত্ৰীসভাই গ্ৰহণ কৰে। নলবাৰী সংস্কৃত মহাবিদ্যালয়ক নলবাৰী সংস্কৃত অধ্যয়ন কেন্দ্ৰ আৰু গৱেষণা কেন্দ্ৰ হিচাপে ৰূপান্তৰ কৰাৰ উপৰি বিজ্ঞান আৰু গণিতৰ দৰে আধুনিক বিষয়ৰ লগতে সংস্কৃত, বেদ, জ্যোতিষ, বাস্তুশাস্ত্ৰ আদি শিকোৱাৰ বাবে সমৰ্পিত বিশেষ বিদ্যালয় হিচাপেও এই টোলসমূহ ৰূপান্তৰ কৰা হ'ব। এনে বিদ্যালয়সমূহ বিদ্যালয় শিক্ষা বিভাগৰ অধিকাৰ ক্ষেত্ৰলৈ অনা হ'ব আৰু নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ সৈতে সংযুক্ত কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

অসমৰ বিশিষ্ট সাহিত্যিকসকলক তেওঁলোকৰ অনবদ্য অৱদানৰ বাবে সন্মানিত কৰিবলৈ মন্ত্ৰীসভাই অসম সাহিত্য বঁটা আৰু পেঞ্চন বিধি ১৯৭৪ ক অসম সাহিত্য পেঞ্চন আৰু সাহিত্য বঁটা বিধি ১৯৭৪ হিচাপে সংশোধনত অনুমোদন জনায়। ইয়াৰ ফলত প্ৰকৃত সাহিত্যসেৱীসকলক বঁটা আৰু পেঞ্চন প্ৰদানৰ নিয়মত কিছু সাল-সলনি কৰা হ'ব। এই বঁটা ৬০ বছৰ বা তাতকৈ ঊৰ্ধৰ ব্যক্তিয়ে লাভ কৰিব। যদি বঁটাপ্ৰাপ্ত ব্যক্তিগৰাকীয়ে ইতিমধ্যে আন কোনো পেঞ্চন লাভ কৰিছে, তেন্তে অতিৰিক্ত মাহিলী পেঞ্চনৰ পৰিৱৰ্তে তেওঁ প্ৰশংসা পত্ৰ আৰু ৫০ হাজাৰ টকাৰ এককালীন বঁটা লাভ কৰিব। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ সংহত টাৰ্মিনেলটো ১৩ নিযুতৰো অধিক যাত্ৰীৰ সামৰ্থ্যৰে বিকশাই তোলাৰ বাবে ৩৫৮ কোটি টকাৰ স্থানত মন্ত্ৰীসভাই অতিৰিক্তভাৱে ১১৬ কোটিৰো অধিক টকাৰ অনুমোদন জনাইছে।

০০০০০০

অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া **এডভাণ্টেজ আছামৰ** দ্বিতীয় পৰ্যায়ৰ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থকাটো নিশ্চিত হৈছে। ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে চাহ জনগোষ্ঠীৰ ঝুমুৰ নৃত্যক ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাৰ উদ্দেশ্যে হ'বলগীয়া এটা অনুষ্ঠানতো ভাগ ল'ব। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত হ'বলগীয়া এই অনুষ্ঠানত ৰাজ্যৰ প্ৰায় ১০ হাজাৰ চাহ জনগোষ্ঠীৰ শিল্পী কলা-কুশলীয়ে ঝুমুৰ নৃত্য পৰিৱেশন কৰিব।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে কালি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি চৰকাৰৰ কেইবাটাও নতুন প্ৰকল্পৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে। ২৫ ফেব্ৰুৱাৰীৰ আগতে কেইবাটাও প্ৰকল্পৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰে চেষ্টা কৰা বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ ভিতৰত বঙাইগাঁও শোধনাগাৰৰ

শোধন ক্ষমতা ৫ মিলিয়ন মেট্ৰিক টনলৈ বৃদ্ধিৰ পৰিকল্পনা, নামৰূপৰ সাৰ কাৰখানাৰ পৰিসৰ বৃদ্ধি, অতি সোনকালে নাৰেঙ্গী-কুৰুৱা দলংসহ গুৱাহাটী ৰিং ৰোডৰ নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ ব্যৱস্থা, কাজিৰঙাৰ এলিভেটেড কৰিডৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ, বৰাপানীৰ পৰা শিলচৰ পথছোৱা ৪ ঘণ্টাত অতিক্ৰমৰ ব্যৱস্থা আদি কেইবাটাও প্ৰকল্পৰ কথা তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীকো সাক্ষাৎ কৰি ৰাজ্যৰ হাইড্ৰ'কাৰ্বন উদ্যোগৰ উন্নয়নৰ ক্ষেত্ৰক শক্তিশালী কৰি তোলাৰ বাবে কেন্দ্ৰৰ সহযোগৰ বাবে অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীপুৰীক অহা ফেব্ৰুৱাৰী মাহত ৰাজ্যত হ'বলগীয়া **এডভাণ্টেজ আছাম** শীৰ্ষক সন্মিলনৰ বাবেও আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰী শৰ্মাৰ লগত এই সাক্ষাতকালত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু ৰাজ্য চৰকাৰৰ কেইবাজনো জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সংসদ ভৱনত লোকসভাৰ অধ্যক্ষ ওম বিৰলাকো সাক্ষাৎ কৰে।

০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছে আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব। মুম্বাইৰ ঐতিহাসিক আজাদ ময়দানত বিয়লি হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে শ্ৰীফাড়নবিছক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে, শ্ৰীফাড়নবিছক কালি সৰ্বসন্মতি ক্ৰমে বিজেপি বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। দেৱেন্দ্ৰ ফাড়ণবিছে কালি মিত্ৰজোঁটৰ শিৱসেনাৰ নেতা একনাথ সিন্দে আৰু এন চি পিৰ মুৰব্বী অজিত পাৱাৰে ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে আৰু  মহাৰাষ্ট্ৰত চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, এন ডি এ শাসনাধিস্থিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলে এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব।

ৰাজ্যপালৰ সৈতে হোৱাৰ বৈঠকৰ পিছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীফাড়নবিছে কয়, যে শিৱসেনা আৰু এন চি পিৰ বাহিৰেও ৰাষ্ট্ৰীয় সমাজপক্ষ, জনসূৰ্য শক্তি দল, যুৱ স্বাভিমান পক্ষৰ ৰবি ৰানা আৰু দুগৰাকী নিৰ্দলীয় বিধায়কে তেওঁলৈ সমৰ্থন আগবঢ়াইছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে আজি দিনৰ ১০ বজাৰ পৰা বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকল পুৱা চাৰে ৯ বজাৰ ভিতৰত আকাশবাণী গুৱাহাটীৰ বাতৰি কক্ষত উপস্থিত হ'ব লাগিব।

০০০০০০

সমাপ্ত